# যোহন বাপ্তাইজকে যীচুক বাপ্তিস্ম দিছিল

**প্ৰাৰ্থনা ঃ** প্ৰিয় প্ৰভু, আপুনি যে এজনা ঈশ্বৰ আৰু লগতে তিনি ব্যক্তি, যিজনাক বিশ্বাসীবিলাকে পবিত্ৰ ত্ৰিত্ত্ব বোলে সেই কথা লৰা-ছোৱালীবিলাকে বুজাত যেন এই অধ্যয়নৰ দ্বাৰাই সহায় হয়।

তেওঁবিলাকৰ প্ৰয়োজন আৰু বয়স অনুযায়ী তলত দিয়া বিষয়বোৰ লৰা-ছোৱালীৰ শিক্ষাৰ নিমিত্তে বাচি লওঁক।

**মথি ৩ঃ১-৭ পদৰ** পৰা যীচুৰ বাপ্তিস্মৰ বিষয়ে এটি ল'ৰা বা শিক্ষকক পঢ়িবলৈ অথবা ক'বলৈ দিয়ক।

**ব্যাখ্যা ঃ**

- ত্ৰিত্বৰ তিনি ব্যক্তিয়ে এজনা ঈশ্বৰ আৰু এজন হিচাপেই কাম কৰে, তেওঁলোক তিনিজন ঈশ্বৰ নহয়।
- তিনি ব্যক্তি এজনা ঈশ্বৰ আৰু এজন হিচাপেই কাম কৰে, তেওঁলোক তিনিজন ঈশ্বৰ নহয়।
- তিনি ব্যক্তিৰ এজনা ঈশ্বৰৰ ৰহস্য কেৱল ঈশ্বৰেহে বুজি পায়।



তলত দিয়া **প্ৰশ্নবোৰ** সোধক *(প্ৰতিটো প্ৰশ্নৰ শেষত উত্তৰবোৰ দিয়া আছে)* ঃ

- যোহনে কাৰ নিমিত্তে বাট যুগুত কৰিছিল? *(৩ পদ)*
- যোহনে বাপ্তিস্ম দিওঁতে লোকসমূহে কি কৰিছিল? *(তেওঁবিলাকৰ পাপবোৰ স্বীকাৰ কৰিছিল, ৬ পদ)*
- পাপ স্বীকাৰ নকৰা ধৰ্ম্মীয় লোকবিলাকক যোহনে কিহৰ বাবে সতৰ্ক কৰিছিল? *(৮ পদ)*
- মন পালটন কৰা লোকক যোহনে কিহেৰে বাপ্তিস্ম দিছিল? *(পবিত্ৰ আত্মাৰে, ১২ পদ)*
- যীচুক বাপ্তিস্ম দিবলৈ কিয় কৈছিল? *(পাপীলোকৰ আৰ্হিৰূপে, যি ন্যায় তাকে কৰিবলৈ, ১৫ পদ)*
- বাপ্তিস্মত ত্ৰিত্বৰ তিনি ব্যক্তিক কেনেদৰে দেখা পোৱা যায়? *(পুত্ৰক বাপ্তিস্ম দিয়া হৈছিল, আত্মা তেওঁৰ ওপৰত স্থিতি হৈছিল, আৰু পিতৃয়ে কথা কৈছিল, ১৬-১৭ পদ)*

যীচুৰ বাপ্তিস্মত ত্ৰিত্বই কেনেকৈ কাৰ্য্য কৰিছিল এই গল্প **নাটকৰ** দ্বাৰাই পৰিৱেশন কৰক *(মথি ৩:১-৭)*।

- লৰা-ছোৱালীয়ে এই নাটকখন পৰিবেশন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- লৰা ছোৱালীক শিক্ষা দিয়া সময়ত নাটক প্ৰস্তুতৰ সময় লওঁক।
- গল্পটোৰ গোটেই ভাগ লোৱা দৰ্কাৰ নাই।
- নাটক প্ৰস্তুতিত ডাঙৰবোৰে সৰু লৰা-ছোৱালীক সহায় কৰক।
- **ডাঙৰ লৰা-ছোৱালী অথবা বয়সীয়া** লোকক **যোহন বাপ্তাইজক, যীচু** আৰু **বৰ্ণনাকাৰীৰ** ভাও দিয়ক।
- সৰু লৰা-ছোৱালীবোৰক দৰ্শক, ফৰীচী আৰু চদ্দূকী সকলৰ ভাও দিয়ক।

**বৰ্ণনাকাৰী ঃ** মথি ৩:১-১২ পৰা গল্পটোৰ প্ৰথম অংশ কওঁক। এতিয়া কওঁক যোহন বাপ্তাইজক কি কৈছে, শুনক।

**যোহন ঃ** চিঞৰি ক'ব, প্ৰভু অহালৈ যুগুত হোৱা। তোমালোকৰ পাপৰ পৰা মন পালটোৱা।

**দৰ্শকবৃন্দ ঃ** মই মোৰ পাপৰ পৰা মন পালটাইছোঁ। অনুগ্ৰহ কৰি মোক বাপ্তিস্ম দিয়ক।

**ফৰীচী ঃ** মই এজন ধাৰ্মিক ফৰীছী। মই মোৰ জীৱন সলনি কৰাৰ প্ৰয়োজন নাই।

**চদ্দূকী ঃ** মই এজন চদ্দূকী, মই কিমান ভাল তাকে দেখুৱাবলৈ বাপ্তিস্ম লম। মই মন পালটন কৰাৰ প্ৰয়োজন নাই।

**যোহন ঃ** চিঞৰি ক'ব, তোমালোক ফৰীচীবিলাক সাপ। তোমালোকৰ হৃদয় পৰিবৰ্তন কৰা। অতি সোনকালে কোনোবা এজন আহি তোমালোকক পবিত্ৰ আত্মাৰে বাপ্তাইজত কৰিব। ঈশ্বৰৰ বাধ্য হওঁক অন্যথা বিচাৰৰ জুইৰ সন্মুখীন হওঁক।

**বৰ্ণনাকাৰী ঃ** মথি ৩:১৩-১৭ ৰ পৰা গল্পটোৰ দ্বিতীয় ভাগ কওঁক।

এতিয়া কওঁক, যোহন বাপ্তাইজকক যীচুৱে কি কৈছে শুনক।

**যীচু ঃ** যোহন, তুমি মোক বাপ্তিস্ম দিবই লাগিব।

**যোহন ঃ** কিন্তু যীচু, মই সেই কাৰ্য্য কৰাৰ যোগ্য নহয়। আপুনিহে মোক বাপ্তিস্ম দিয়া উচিত।

**যীচু ঃ** কৈছে, "যি উচিত, তাক কৰা দৰ্কাৰ। পাপীসকললৈ উদাহৰণ স্বৰূপে মই পৰিচৰ্য্যা কৰা উচিত।

**যোহন ঃ** যীচুক বাপ্তিস্ম দিয়া যেন দেখুৱায়। তাৰ পিছত ওপৰলৈ চাই কয়, চোৱা স্বৰ্গৰ পৰা পবিত্ৰ আত্মা কপৌৰ দৰে যীচুৰ ওপৰত পৰিছেহি।

**দৰ্শকবৃন্দ ঃ** ওপৰলৈ দেখুৱাই চিঞৰি কয়, শুনাহঁক, স্বৰ্গৰ পৰা অহা এটি মাত।

**যোহন ঃ** স্বৰ্গৰ পৰা পিতৃ, ঈশ্বৰে যীচুৰ বিষয়ে কি কলে তোমালোক শুনিলা নে? তেওঁ কৈছিল, এওঁ মোৰ প্ৰিয় পুত্ৰ, যাক মই ভাল পাওঁ। ঈশ্বৰে আমাক কথা কয়।

**বৰ্ণনাকাৰী ঃ** নাটক পৰিবেশনত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

**প্ৰশ্নবোৰ।** যদি ল'ৰা-ছোৱালীয়ে নাটখন বয়সস্থসকলৰ বাবে কৰিছে, তেন্তে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ সুধিবলৈ দিয়ক।

**প্ৰশ্নবোৰ ঃ** ত্ৰিত্বৰ তিনিজন ব্যক্তি, এজনা ঈশ্বৰ হৈ কাম কৰাৰ আৰু আন আন উদাহৰণবোৰ কি? (সম্ভৱ হলে লৰা-ছোৱালীক উত্তৰ দিবলৈ কওঁক। উদাহৰণবোৰ হৈছে ঈশ্বৰৰ সৃষ্টি, যীচুৰ পুনৰুত্থান আৰু আমাৰ পৰিত্ৰাণ।)

**মুখস্থ কৰক ঃ** লূক ৯:৩৫ তেতিয়া সেই মেঘৰ পৰা এই বাণী হল যে, এওঁ মোৰ পুত্ৰ, মোৰ মনোনীত জন, এওঁৰ কথা শুনা।

**পদ্য ঃ** গীতমালা ২:৭, ৮, ১০ আৰু ১১ এই পদকেইটা চাৰিগৰাকী লৰা-ছোৱালীক আবৃতি কৰিবলৈ দিয়ক।

ওপৰৰ পৰা নামি অহা এটি কপৌৰ **ছৱি** এখন লৰা-ছোৱালী আঁকিবলৈ দিয়ক, আৰু উপাসনাৰ সময়ত ছবিখন বয়সীয়া সকলক দেখুৱাই বৰ্ণনা কৰি কবলৈ কওঁক যে আমি যদি যীচুৰ নামত আমাৰ পিতা ঈশ্বৰক আমাৰ পাপৰ পৰা ৰক্ষা কৰিবলৈ কওঁ তেতিয়া কেনেকৈ যীচুৱে আমাক পবিত্ৰ আত্মাৰে বাপ্তাইজিতে কৰে তাকে বুজাইছে।

সম্ভৱ হলে ডাঙৰ লৰা-ছোৱালীক ত্ৰিত্বৰ ব্যক্তিৰ ডাঙৰ কাগজত আঁকিবলৈ দিব।






যীচুৰ বাপ্তিস্ম অথবা ত্ৰিত্বৰ সম্পৰ্কে ডাঙৰ লৰা-ছোৱালীক এটি গীত অথবা পদ্য লিখিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** পবিত্ৰ পিতা, আপুনিয়েই সত্য ঈশ্বৰ। আমি আপোনাৰ ত্ৰিত্বৰ প্ৰশংসা কৰোঁ। যি পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্ম হয়। আমি ইয়াৰ নিগঢ় তত্ত্ব বুজি নাপাওঁ কিন্তু আমি আপোনাক বিশ্বাস কৰোঁ। আমি যেন আপোনাৰ সন্তান হব পাৰো, তাৰ বাবে আমাক যীচুৰ দৰে হবলৈ আপোনাৰ আত্মাৰে আমাক বাপ্তিস্ম দিয়া বাবে আপোনাক ধন্যবাদ জনাওঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net